ৰাজনাথ সিঙ

সাংসদৰ সদস্য

(লোকসভা) দিনাংক - ১/১২/ ২০১৩

মাননীয় প্ৰধানমন্ত্ৰী

মই ম্যানমাৰৰ লগত মণিপুৰ ৰাজ্যৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ সৈতে জড়িত কিছু তথ্যৰ ওপৰত আপোনাৰ ধ্যান আকৰ্ষিত কৰিব'লৈ বিচাৰিছো । বি জে পি ৰ মণিপুৰ ৰাজ্যৰ সভাপতি শ্ৰীযুত চাওবা সিঙে এই তথ্যসমূহ মোলৈ প্ৰেৰণ কৰিছিল :-

১। যেতিয়া দক্ষিণপূব এছিয়াৰ মণিপুৰত এক স্বাধীন ৰজাৰ শাসন আছিল তেতিয়া, মণিপুৰ ৰাজ্যই দক্ষিণ এছিয়াৰ বহুতো ৰাজ্যৰ সৈতে সাংস্কৃতিক সম্বন্ধ বজাই ৰাখিছিল । এই ৰাজ্যৰ পুৰণি সীমা উত্তৰত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰলৈকে, দক্ষিণত লুচাই পৰ্বতলৈকে, পূবত তেতিয়াৰ বাৰ্মাৰ ইৰাৱদী চিন্দউইন নদীলৈকে আৰু পশ্চিমত অসমৰ কাছাৰ ভেলি জিলালৈকে আছে । (report on the eastern frontier of British India: Cap. R.B Pemberton-1835)

২। এই অঞ্চলত বৃটিছ চৰকাৰৰ শাসনৰ সময়ত মণিপুৰৰ জনসাধাৰণৰ সৈতে আলোচনা নকৰাকৈ বাৰ্মাৰ লগত হোৱা আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ ফলত এতিয়াও অস্থিৰ হৈ আছে । ২৪/২/১৮২৬ তাৰিখে ইয়াণ্ডাবুয়ে স্বাক্ষৰ কৰা শান্তিৰ চুক্তি আৰু ৯ জানুৱাৰী ১৮৩৪ ত ছোনায়াচি ঘাটৰ কাবাও ভেলিক লৈ কৰা চুক্তিৰ ফলত বৰ্ত্তমানৰ মণিপুৰ ৰাজ্যৰ পূবৰ সীমা কমি আহিছে । এই প্ৰক্ৰিয়াত কিছুমান পৰম্পৰাগত জনজাতীয় গাওঁ ইফালে সিফালে নোহোৱা হৈ গৈছিল ।(চৌমাৰা ট্ৰেক্টৰ থাংগুল অঞ্চলৰ ১২ খন গাওঁ আমাৰ থাংপতৰ ৫ খন গাওঁ তেতিয়ৰ বাৰ্মিচ ৰাজ্যত সোমায় পৰিছিল) । আজিলৈকে মণিপুৰ ৰাজ্যৰ জনসাধৰনৰ মজত এই ঘটনাবোৰক লৈ ৰাজনৈতিক দ'লে উত্তেজনাৰ সৃষ্টি কৰে ।

৩/ তেতিয়াৰ ভাৰতৰ বৃটিছ গৰ্ণৰ জেনেৰেল আৰু মণিপুৰৰ মহাৰাজাই এখন ষ্টেড স্টীল চুক্তি আৰু ১১ আগষ্ট ১৯৪৭ ত ইনষ্ট্ৰুমেন্ট অফ এক্সেচন স্বাক্ষৰ কৰি সকলো কথা মানি লৈছিল । ১৫ অক্টোৱৰ ১৯৫০ চনত মণিপুৰৰ মহাৰাজাই এখন মণিপুৰ মাৰ্জাৰ এগ্ৰিমেন্ট স্বাক্ষৰ কৰি এই ৰাজ্যক ভাৰতৰ অন্তৰ্ভূক্ত কৰি পেলাইছিল । ভাৰত চৰকাৰৰ দ্বাৰা সেই ৰাজ্যৰ সীমা সুৰক্ষিত আৰু নিয়ন্ত্ৰণ কৰাটো বাঞ্চনীয় । ৰংগুণত ১০ মাৰ্চ ১৯৬৭ ত ভাৰত আৰু বাৰ্মাই এখন দ্বিপাক্ষিক চুক্তি স্বাক্ষৰ কৰি ভাৰত বাৰ্মাৰ সীমা নিৰ্ধাৰণ কৰিছিল । সেই চুক্তিৰ ভিত্তিত পৰম্পৰাগত সীমাও নিৰ্ভৰ্শীল হ'ব । যি কি নহওঁক এই চুক্তিৰ পাছত দুইখন দেশৰ নক্সাতে সীমা নিৰ্ধাৰন কৰা হৈছিল । দুয়োখন দেশে পাছত এই চুক্তিৰ সংশোধন কৰি ৩০ মে ১৯৬৭ ত নতুন দিল্লীত এখন সংশোধনৰ চুক্তি স্বাক্ষৰ কৰে ।

৪/ ১৯৭৫ চনৰ ৫ এপ্ৰিলত ৰাজ্যৰ কোনো দায়িত্বশীল প্ৰতিনিধি উপস্থিত নথকা অৱস্থাত বাৰ্মিচ চৰকাৰৰ প্ৰতিনিধিয়ে সীমা অংকন কৰিছিল । তেতিয়াৰ পৰা ইণ্ডো-ম্যানমাৰ সীমাক লৈ গম্ভীৰ সমস্যাৰ সৃষ্টি হৈছিল । ইতিমধ্যে থকা তথ্যৰ ভিত্তিত ৯৮ টা সীমা খুটা ইণ্ডো-ম্যানমাৰ সীমাত মণিপুৰ অঞ্চলত পোতাৰ কথা আছিল । ইয়াৰ কেইবাটাও স্থানত বিবাদিত খুটা আছিল, যেনে-টুইভাঙ ম'লছাম অঞ্চলৰ সীমা খুটা সংখ্যা ৬৪ ৰ পৰা ৬৮, তামু ম'ৰিয়া অঞ্চলৰ সীমা খুটা সংখ্যা ৭৫ ৰ পৰা ৭৯ আৰু চৌৰ' খুনও অঞ্চলৰ সীমা খুটা সংখ্যা ৮৮ ৰ পৰা ৯৫ । এতিয়ালৈকে ইণ্ডো-ম্যানমাৰ সীমাৰ মণিপুৰ অঞ্চলত মুঠ ৩৫ কিলোমিটাৰ দীঘলীয়া সীমা বিবাদিত অৱস্থাত আছে । ইয়াৰ ওপৰিও বিভিন্ন অঞ্চলৰ পৰা সীমা খুটা হেৰুৱাৰ ওপৰিও উঘালি দিয়া হৈছে । ইণ্ডো-ম্যানমাৰ পাৰম্পৰিক সীমা ধৰি ৰাখিব'লৈ মণিপুৰ চৰকাৰে বহুতো পদক্ষেপ লৈছিল কিন্তু এই বিষয়টো এতিয়ালৈকে অমীমাংসিত হৈ আছে ।

৫/ ইণ্ডো-ম্যানমাৰ সীমাক চাৰ্ভে অফ ইণ্ডিয়াই স্কেলেৰে জোখ-মাখ কৰি ২টা সীমা নিৰ্ধাৰিত কৰিছে - ১/ এচ অ' আই ট'প' ছিট মেপ অফ ১৯৭৩ আৰু ২/এচ অ' আই ট'প' ছিট মেপ অফ ১৯৭৬

মণিপুৰৰ জনসাধাৰণ সীমা আৰু অঞ্চলীয় ভাতৃত্ববোধক লৈ যথেষ্ট সংবেদনশীল। তেওঁলোকে কাবাও ভেলি,বাৰ্মালৈ গুছি যোৱাৰ বাবে এতিয়াও অসন্তুষ্ট ।

এই সকলো কাৰণৰ ভিত্তিত পৰম্পৰাগত সীমাৰ ওপৰত নিৰ্ধাৰণ কৰি আন্তঃৰাষ্ট্ৰীয় সীমা নিৰ্মাণ নকৰাৰ ফলত বহুতো ভূমি ম্যানমাৰৰ দখললৈ গুছি যাব । ই জনসাধাৰণক সংকেতিত কৰি তুলিছে । সকলো কথা জানি মণিপুৰৰ জনসাধাৰণে বৰ্ত্তমানৰ সীমাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে আৰু ই সীমা অঞ্চলত গম্ভীৰ উত্তেজিত পৰিবেশৰ সৃষ্টি কৰিছে।

সীমাৰ ফেন্সিং নিৰ্মানক লৈ জনসাধাৰণৰ মাজত উত্তেজিত পৰিবেশক মনত ৰাখি মণিপুৰ অঞ্চলৰ বি জে পি ৰ গোটে ২২ অক্টোৱৰ ২০১৩ তাৰিখে বেৰ নিৰ্মাণৰ বিষয়টোক লৈ তাৎক্ষণিক অনুসন্ধান চলায় । মণিপুৰৰ জনসাধাৰন আৰু প্ৰভাৱিত গাওঁবাসীৰ অৱস্থাক লৈ বি জে পি ৰ গোটে এই বিষয়টো বিস্তৃতভাৱে আলোচনা কৰে আৰু শেষত সিদ্ধান্ত লয় যে এনে ধৰণৰ অবিশ্বাস, ভেদা-ভেদপূৰ্ণ পৰিস্থিতিক, মণিপুৰৰ মৰোৱা চেক্টৰৰ ইয়ংগ'প'ক্ পি লোকচাও অভয়াৰণ্যৰ ভিতৰত ভুলভাৱে ৪ কিলোমিটাৰ দূৰত্বলৈকে নিৰ্মাণ কৰা সীমাক নোহোৱা কৰি কেৱল কেন্দ্ৰীয় চৰকাৰেহে জনসাধাৰণৰ মাজত আশ্বাস আনিব পাৰে । সেইবাবে বি জে পি য়ে সামৰণিত কৈছে যে ৰাষ্ট্ৰীয় স্বাৰ্থত কেন্দ্ৰ চৰকাৰে কিছুমান পদক্ষেপ ল'ব লাগে । যিবোৰ হৈছে -

১/ তাৎক্ষণিকভাৱে সীমা ফেন্সিংৰ নিৰ্মাণ কাৰ্য্য ৰোধ কৰিব লাগে যিহেতু পৰম্পৰাগতভাৱে থকা আমাৰ ভূমি ম্যানমাৰৰ ফালে গুচি যাব । ইণ্ডো-ম্যানমাৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ বিবাদিত সীমাৰ ওপৰতে এতিয়াও ফেন্সিংৰ কাম চলি আছে । এনেধৰণৰ সীমা নিৰ্মাণৰ ফলত আমাৰ ভূমিৰ বৃহৎ অংশ ম্যানমাৰক দি দিয়া হ'ব । লগতে এইয়া উল্লেখ কৰাটো প্ৰয়োজনীয় যে ইয়ং

গ'প'ক্পি লোকচাও অভয়াৰণ্য দক্ষিণ পূৱ এছিয়াৰ স্তন্যপায়ী জীৱৰ প্ৰজাতিৰে ভৰপূৰ এক প্ৰসিদ্ধ বনাঞ্চল । এনে প্ৰসিদ্ধ বনাঞ্চলক পৰিবৰ্ত্তন কৰাৰ আগতে দায়িত্বত থকা মন্ত্ৰালয়ৰ অনুমতি ল'ব লাগিছিল ।

২/ অতি সোনকালে মণিপুৰ চেক্টৰত অৱস্থিত পৰম্পৰাগত সীমাৰেখা বিবাদিত অঞ্চলত সীমাৰ পুনঃ চিন্হিত কৰিব লাগে য'ত দুইখন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহন কৰে,লগতে এস অ' আই নক্সাত প্ৰকাশিত সীমাংকন শুদ্ধ কৰিব লাগে আৰু গুগুল ৱেবচাইটত প্ৰকাশিত নক্সাও উঠাই ল'ব লাগে ।

৩/ গ্ৰহনযোগ্য সীমাৰেখা পুনঃ চিন্হিত কৰাৰ পাছত আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ অনুসৰি দুইখন দেশৰ সীমাৰেখাৰ পৰা ১০ মিটাৰলৈ বাদ দি বেৰ নিৰ্মাণ কৰিব লাগে যাতে দুইখন দেশৰ মাজত ২০ মিটাৰ ভূমি খালি থাকে । অথবা ইণ্ডো-বাংলাদেশ সীমাৰেখা ত্ৰিপুৰা চেক্টৰত যেনেধৰণেৰে চিন্হিত কৰা হৈছে,ঠিক তেনেদ'ৰেই মণিপুৰ চেক্টৰতো বেৰ নিৰ্মাণ কৰিব লাগে ।

৪/ ৰাজ্যৰ মাজত আন্তঃৰাষ্ট্ৰীয় সীমাৰ সুৰক্ষা আৰু জনসাধাৰণৰ বিশ্বাস ঘূৰাই অনাৰ বাবে, যুটীয়াভাৱে গৃহমন্ত্ৰালয় আৰু ৰাজ্যিক গৃহবিভাগে এখন কমিটি গঠন কৰিব লাগে, যিয়ে সীমা খুটাৰ স্থান, সীমাৰ বিশেষ স্থান, নদী, জলাশয় ইত্যাদি সকলৰ নাম অনুবাদ কৰি বুজিব পৰা ভাষাত নামাকৰণ কৰিব লাগে ।

মই আশা কৰিছো যে কেন্দ্ৰীয় চৰকাৰে এই সকলো দাবী গুৰুত্বসহকাৰে গ্ৰহন কৰি তাৎ ক্ষণিক জৰুৰী ব্যৱস্থা ল'ব।

ৰাজনাথ সিঙ

প্ৰতি

ডঃ মনমোহন সিঙ

মাননীয় প্ৰধানমন্ত্ৰী

নতুন দিল্লী